# অসম চৰকাৰ

## উপায়ুক্তৰ কাৰ্য্যালয় :::::::::::::::::::::::::::::::::::::::::::::::::::: বৰপেটা

*ঠিকনা:*
*ৱাৰ্ডনং: ৫ডাকঘৰ: বৰপেটা, থানা: বৰপেটা*
*পিন: ৭৮১৩০১*

*যোগাযোগসবিশেষ:*
*দূৰভাষ: ০৩৬৬৫-২৫২১২৯*
Email-dc-barpeta@nic.in

---

## বিজ্ঞাপন

অসম চৰকাৰৰ ৰাজহ আৰু দূৰ্য্যোগ ব্যৱস্থাপনা বিভাগৰ আৰ এল আৰ-১৮৭/২০০৭/অংশ/২৪ দিনাংকঃ ১৯।০৭।১৯ আৰু নতুন আৰ এল আৰ- ৭৩/২০২০/৩ দিনাংক ২৬/৮/২০২১ অধিসুচনা মতে,ইয়াৰ দ্বাৰা সংশ্লিষ্ট স্থানীয় ৰাইজক জনোৱা হ'ল যে, বৰপেটা জিলাৰ অন্তৰ্গত বৰপেটা, কলগাছিয়া, বাঘবৰ, বৰনগৰ, চেঙা আৰু সৰ্থেবাৰী ৰাজহ চক্ৰৰ এলেকাভুক্ত নিম্ন উল্লেখিত লাট (চাৰ্জ)ৰ খালি হোৱা গাওঁপ্ৰধান পদত নিযুক্তি দিয়াৰ বাবে স্থানীয় ইচ্ছুক যোগ্যতা সম্পন্ন প্ৰাৰ্থীৰ পৰা আবেদন পত্ৰ বিচৰা হৈছে । অহা **২৯/০৯/২০২২** ইং তাৰিখ বা তাৰ আগতে নিম্নলিখিত আবেদন পত্ৰৰ চানেকীৰে ধাৰ্য্য দিনৰ ভিতৰত উপায়ুক্তৰ কাৰ্য্যালয়ত আবেদন কৰিব লাগিব । ধাৰ্য্য দিনৰ পিছত কোনো আবেদন গ্ৰহণ কৰা নহ'ব।

| ক্ৰঃ নং | ৰাজহ চক্ৰৰ নাম | চাৰ্জ/লাট নং | মৌজাৰ নাম |
|---|---|---|---|
| ১ | বৰনগৰ ৰাজহ চক্ৰ | ৮ আৰু ৩২ | দমকা চকা বাউসী |
| | | ২০ আৰু ২১ | গোবৰ্ধনা |
| | | ৮, ১৭ আৰু ১৮ | খাৰিজা বিজনী |
| | | ০১ | ৰূপসী |
| ২ | বৰপেটা ৰাজহ চক্ৰ | ২,৩,৫ ৬, ৯, ১১, ১৩ আৰু ১৬ | বৰপেটা |
| | | ১২,১৫, ১৯, ২৩ আৰু ২৫ | ঘিলাজাৰী |
| | | ৩, ৮,১১ আৰু ১৩ | বেতবাৰী |
| | | ১,২, ৬, ১৩, ১৪ আৰু ১৫ | নগাওঁ |
| ৩ | বাঘবৰ ৰাজহ চক্ৰ | ২, ৬, ৭, ১০,১৩, ১৪, ১৫, ১৮ আৰু ১৯ | মন্দিয়া |
| | | ৫, ৯, ১০, ১১, ১৭, ১৮ আৰু ২০ | জনিয়া |
| | | ৮, ৯, ১০, ১২, ১৪, ১৭, ১৯ আৰু ৩৩ | বাঘবৰ |
| ৪ | কলগাছিয়া ৰাজহ চক্ৰ | ৪, ৬, ৮, ৯, ১২, ১৩, ১৫ আৰু ১৯, | তিতাপানী |
| | | ৮, ৯, ১০, ১১, ১৩, ১৫, ১৬ আৰু ১৮ | ৰূপসী |
| | | ১ | বাঘবৰ |
| ৫ | সৰ্থেবাৰী ৰাজহ চক্ৰ | ১, ৩, ৯, ১০, ১১, ১৪, ২৩ আৰু ২৫ | সৰুক্ষেত্ৰী |
| | | ২,৬,৮,১৪ আৰু ২০ | পাকা |
| ৬ | চেঙা ৰাজহ চক্ৰ | ৩, ৫, ৭, ৮ আৰু ১৫, | চেঙা |
| | | ৭, ১২, ১৬ আৰু ১৭, | বগুৰীবাৰী |

১৭, তিতাপানী মৌজাৰ ৬ আৰু মন্দিয়া মৌজাৰ ১৩ নং চাৰ্জৰ বাবে পূৰ্বে দিয়া বি.আৰ.কে.জি. ৫৭/২০২২/১৫ দিনাংক ১০/০৬/২০২২, বি.আৰ.কে.জি. ৪৩/২০২২/০৭ দিনাংক ২১/০২/২০২২ বি.আৰ.কে.জি. ৪১/২০২২/০৭ দিনাংক ২১/০২/২০২২ বি.আৰ.কে.জি. ৩৮/২০২২/০৫ দিনাংক ৫/০২/২০২২ বি.আৰ.কে.জি. ২৫/২০২০/০৫ দিনাংক ২৮/০৭/২০২০ বিজ্ঞাপন সমূহ ইয়াৰ দ্বাৰা নাকচ কৰা হল । ওপৰোক্ত চাৰ্জৰ এলেকাৰ ইচ্ছুক আবেদনকাৰী সকলে নতুন বিজ্ঞাপন অনুযায়ী আবেদন কৰিব লাগিব।

<u>নিম্নতম অৰ্হতাঃ-</u>

১) আবেদনকাৰী ভাৰতীয় নাগৰিক হ'ব লাগিব আৰু নিযুক্তিৰ বাবে আবেদন কৰা গাঁৱৰ অথবা গাঁওপ্ৰধান লাটৰ গাঁও সমুহৰ ভিতৰৰ এখনৰ স্থায়ী বাসিন্দা হ'ব লাগিব ।

২) আবেদনকাৰীৰ বয়স ০২/০৯/২০২২ তাৰিখে নূন্যতম ৩০ বছৰ আৰু উৰ্দ্ধতম ৬৫ বছৰ হ'ব লাগিব আৰু উচ্চ মাধ্যমিক শিক্ষান্ত পৰীক্ষা বা অসম চৰকাৰৰ স্বীকৃতি প্ৰাপ্ত ব'ৰ্ড/ প্ৰতিষ্ঠানৰ পৰা সমপৰ্য্যায়ৰ পৰীক্ষাত উত্তীৰ্ণ হ'ব লাগিব ।

৩) আবেদনকাৰী শাৰীৰিক ভাবে সক্ষম আৰুসুস্থ মস্তিস্কৰ অধিকাৰী হ'ব লাগিব ।

৪) আবেদনকাৰী আৰ্থিকভাবে দেওলীয়া আৰু কোনো চৰকাৰী ধনৰ দেনাদাৰ হ'ব নোৱাৰিব ।
৫) গাঁওপ্ৰধান পৰিয়ালৰ ব্যক্তিক যথাসম্ভৱ অগ্ৰধিকাৰ দিয়া হ'ব ।
৬) আবেদনকাৰী চৰকাৰী চাকৰিয়াল বা কোনো ৰাজনৈতিক দলৰ সদস্য/সদস্যা হ'ব নোৱাৰিব ।
৭) আবেদনকাৰী গাঁওপ্ৰধান হিচাপে নিযুক্তি বিচৰা অঞ্চলত আবেদনকাৰী নিজ নামত ভুমি স্থাৱৰ
সম্পত্তি থাকিব লাগিব ।
৮) আবেদনকাৰী উচ্চ মৰ্য্যদা সম্পন্ন তথা সমাজৰ সন্মানীয় ব্যক্তি হ'ব লাগিব ।
৯) আবেদনকাৰী চৰকাৰী নীতি আৰু কাৰ্য্যসূচী ৰূপায়ণ কৰাত আৰু প্ৰাকৃতিক দুৰ্য্যোগৰ সময়ত সহযোগিতা আগবঢ়োৱা হব লাগিব ।
১০) আবেদনকাৰীয়ে আবেদন দাখিল কৰাৰ সময়ত সত্যপাঠ Affidavit )যোগে জনাব লাগিব যে আবেদনকাৰীৰ এক বা একাধিক সংগীৰ লগত দুটাতকৈ অধিকসন্তান নাই । কিন্তু অসম চৰকাৰৰ অধিসূচনা নম্বৰ আৰ.এল.আৰ-১৮৭/২০০৭/অংশ/২৪ তাং ১৯/০৭/২০১৯ জাৰি হোৱাৰ পূৰ্বে যিসকল ব্যক্তিৰ দুটাতকৈ অধিক সন্তানৰ গৰাকী হয় তেওঁলোকৰ ক্ষেত্ৰত এই নীতি প্ৰযোজ্য নহয় ।

<u>আবেদন পত্ৰৰ লগত দাখিল কৰিবলগীয়া প্ৰয়োজনীয় প্ৰমান পত্ৰ সমূহঃ-</u>

১) আবেদনকাৰী নাম বয়স ( HSLC Admit গাঁঠি দিব লাগিব )ঃ-
২) আবেদনকৰা চাৰ্জৰ নং /মৌজাৰ নাম
৩) আবেদনকাৰীৰ পিতাকৰ নামঃ-
৪) আবেদনকাৰীৰ স্থায়ী ঠিকনাঃ-
৫) আবেদনকাৰীৰ শিক্ষাগত অৰ্হতা ( উত্তীৰ্ণ প্ৰমাণ পত্ৰ/ মাৰ্কশ্বিট গাঁঠি দিব লাগিব)
৬) আবেদনকাৰীৰ ভুতপূৰ্ব গাঁওপ্ৰধানৰ লগত সম্পৰ্ক ( যদিহে প্ৰযোজ্য) (প্ৰমাণ পত্ৰ সংলগ্ন কৰি
দিব)ঃ-
৭) আবেদনকাৰীৰ ভাৰতীয় নাগৰিক হয় নে নহয়, যদি হয় কি সূত্ৰেঃ-
৮) আবেদনকাৰী উক্ত চাৰ্জৰ স্থায়ী বাসিন্দাৰ প্ৰমান পত্ৰ দিব লাগিব ।
৯) আবেদনকাৰীয়ে বাকীজাই দেনামুক্ত প্ৰমান পত্ৰ গাঁঠি দিব লাগিব ।
১০) আবেদনকাৰীয়ে আবেদন কৰা উক্ত চাৰ্জত নিজ নামত থকা ভূমিৰ নথিৰ কপি গাঁঠি দিব লাগিব ।
১১) আবেদনকাৰীয়ে নথি পত্ৰসমূহৰ দুটাকৈ কপি জমা দিব লাগিব ।
১২) আবেদনকাৰীৰ ভোটাৰ পৰিচয় পত্ৰ/পান কাৰ্ডৰ কপি গাঁঠি দিব লাগিব ।
১৩) আবেদন পত্ৰত পাচপৰ্ট ফটো আৰু যোগাযোগ নম্বৰ দিব লাগিব ।
১৪) আবেদনকাৰীৰ দুটাতকৈ অধিক সন্তানৰ পিতৃ নোহোৱাৰ শপত নামা দাখিল কৰিব লাগিব ।
১৫) আবেদনকাৰী সকলে যদি চৰকাৰী নীতি আৰু কাৰ্য্যসূচী ৰূপায়ণ কৰাত আৰু প্ৰাকৃতি দূৰ্যোগৰ সময়ত চৰকাৰক সহায়-সহযোগিতা কৰিছে তাৰ প্ৰমাণ পত্ৰ সংশ্লিষ্ট চক্ৰ বিষয়াৰ স্বাক্ষৰসহ দাখিল কৰিব লাগিব।

আবেদনকাৰীয়ে দাখিল কৰা প্ৰমান পত্ৰ সমূহ যদি ভুৱা বুলি প্ৰমানিত হয়, তেন্তে তেখেতৰ প্ৰাৰ্থীত্ব তাতক্ষণিক ভাবে নাকচ কৰাৰ লগতে আইনগত ব্যৱস্থা গ্ৰহন কৰা হব ।

যোগ্য বিবেচিত প্ৰাৰ্থীসকল মৌখিক সাক্ষাতকাৰত অৱতীৰ্ণ হব লাগিব । সাক্ষাতকাৰৰ নিৰ্দিষ্ট স্থান আৰু সময় পৰৱৰ্তী পৰ্যায়ত অৱগত কৰা হব ।ইয়াৰ কোনো পাৰিতোষিক দিয়া নহব ।

স্বাক্ষৰ/-
উপায়ুক্ত,বৰপেটা

স্মাৰক নং-বি.আৰ.কে.জি-৫৭ /২০২২/২৭-২৯ দিনাকঃ- ৬ /০৯/২০২২

**ইয়াৰ প্ৰতিলিপিঃ-**

১) চক্ৰ বিষয়া বৰপেটা/কলগাছিয়া/ বাঘবৰ/বৰনগৰ/চেঙা/সৰ্থেবাৰী ৰাজহ চক্ৰ। আপোনালোকক এই বিজ্ঞাপন নিজ নিজ স্থানীয় এলেকাত বহুলভাৱে প্ৰচাৰকৰাৰ ব্যৱস্থা কৰিবলৈ জনোৱা হ'ল।

২)জিলা তথ্য আৰু জনসংযোগ বিষয়া, বৰপেটা । আপোনাক এই বিজ্ঞাপন দৈনিক বাতৰি কাকত যোগে প্ৰচাৰ কৰিবলৈ জনোৱা হল ।

৩) উপ সঞ্চালক,জিলা নিয়োগ বিনিময় কেন্দ্ৰ,বৰপেটা।

৪) ভাৰপ্ৰাপ্ত বৰপেটা/কলগাছিয়া/ বাঘবৰ/বৰনগৰ/তাৰাবাৰী/সৰ্থেবাৰী আৰক্ষী থানালৈ এই বিজ্ঞাপন চাৰ্জৰ এলেকাত বহুলভাৱে প্ৰচাৰ কৰাৰ ব্যৱস্থা কৰিবলৈ জনোৱা হ'ল।

৫) জিলা তথ্য বিয়য়া,ৰাষ্ট্ৰীয় তথ্য বিজ্ঞান কেন্দ্ৰ, বৰপেটা । এই বিজ্ঞাপনটো জিলা ওৱেবছাইটত সন্নিবিষ্ট কৰিবলৈ জনোৱা হল ।

৬) মৌজাদাৰ, .................................মৌজালৈ এই বিজ্ঞাপন চাৰ্জৰ এলেকাত বহুলভাৱে প্ৰচাৰ কৰাৰ ব্যৱস্থা কৰিবলৈ জনোৱা হ'ল ।

৭) উপায়ুক্তৰ কাৰ্য্যালয়ৰ জাননী ফলকলৈ আঁৰি দিয়াৰ বাবে ।

অতিৰিক্ত উপায়ুক্ত,
বৰপেটা জিলা